# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-SEP-2025
**Time :** 1340 Hrs

## *Assamese Midday Bulletin*
## *Headlines*

--------------------

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত সন্মানীয় ৰাষ্ট্ৰীয় ভূ-বিজ্ঞান বঁটা, ২০২৪ প্ৰদান কৰে।

২। প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে সমাজৰ প্ৰতিটো স্তৰৰ লোক উপকৃত কৰিব পৰাকৈ মহিলাসকলৰ বাবে কেইবাখনো আঁচনি মুকলি কৰিছে।

৩। ভাৰতীয় বায়ুসেনা বাহিনীয়ে ইয়াৰ সৈতে সুদীৰ্ঘ ছটা দশক ধৰি জড়িত মিগ টুৱেণ্টি-ওৱান বিমানখনক আজি সেৱাৰ পৰা বিদায় দিয়ে।

৪। অসমৰ বিটিচি পৰিষদীয় নিৰ্বাচনৰ ভোটগণনা আজি পুৱা ৮ বজাত আৰম্ভ হৈছে। ***আৰু***

৫। এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলৰ পূৰ্বে ছুপাৰ ফ'ৰ পৰ্যায়ৰ আন এখন খেলত আজি ভাৰত শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱন সাংস্কৃতিক কেন্দ্ৰত আয়োজিত এটা অনুষ্ঠানত সন্মানীয় ৰাষ্ট্ৰীয় ভূ-বিজ্ঞান বঁটা, ২০২৪ প্ৰদান কৰে। ৰাষ্ট্ৰীয় ভূ-বিজ্ঞান বঁটা দেশৰ পুৰণি আৰু সন্মানীয় বঁটাসমূহৰ ভিতৰত অন্যতম। এই বঁটা লাভ কৰা লোকসকলক শুভেচ্ছা জ্ঞাপন কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে ভূ-বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰত অসাধাৰণ কৃতিত্ব আৰু অৱদান আগবঢ়োৱাৰ বাবে এই সন্মান আগবঢ়োৱা হৈছে। মানৱ সভ্যতাৰ বিকাশত খনিজাত পদাৰ্থই এক বিশেষ ভূমিকা গ্ৰহণ কৰাৰ লগতে উদ্যোগৰ বাবেও ই অতি প্ৰয়োজনীয়। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে কয় যে কয়লা আৰু লো অবিহনে ঔদ্যোগিকীকৰণৰ কথা কল্পনাও কৰিব নোৱাৰি। উল্লেখযোগ্য যে খনি মন্ত্ৰালয়ে প্ৰত্যেক বছৰে তিনিটা শাখাত এই বঁটাসমূহ প্ৰদান কৰে। এই বঁটাসমূহ হৈছে – আজীৱন কৃতিত্বৰ বাবে ৰাষ্ট্ৰীয় ভূ-বিজ্ঞান বঁটা, ৰাষ্ট্ৰীয় ভূ-বিজ্ঞান বঁটা আৰু ৰাষ্ট্ৰীয় যুৱ ভূ-বিজ্ঞানী বঁটা।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে মহিলাসকলৰ বাবে কেইবাখনো আঁচনি মুকলি কৰিছে যাতে ইয়াৰ জৰিয়তে সমাজৰ প্ৰতিটো স্তৰৰ লোক উপকৃত হ'ব পাৰে। প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত বিহাৰৰ বাবে মুখ্যমন্ত্ৰী মহিলা ৰোজগাৰ যোজনা মুকলি কৰি এই কথা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে দ্বৈত ইঞ্জিন চৰকাৰৰ শাসন কালত কেন্দ্ৰত আৰু বিহাৰত মুখ্যমন্ত্ৰী নীতিশ কুমাৰ নেতৃত্বৰ চৰকাৰে মহিলাসকলৰ কল্যাণৰ বাবে একেলগে কাম কৰি আহিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰ জৰিয়তে বিহাৰত মুখ্যমন্ত্ৰী মহিলা ৰোজগাৰ যোজনা মুকলি কৰে। শ্ৰীমোদীয়ে লগতে ৰাজ্যখনৰ ৭৫ লাখ মহিলাৰ বেংক একাউণ্টলৈ প্ৰত্যক্ষভাৱে ১০ হেজাৰ টকাকৈ হস্তান্তৰ কৰে। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে প্ৰকাশ কৰা এখন বিজ্ঞপ্তি অনুসৰি

মহিলাসকলক আত্মনিৰ্ভৰশীল কৰি তোলাৰ লগতে স্বনিয়োজন আৰু জীৱিকাৰ সুবিধা প্ৰদানৰ জৰিয়তে তেওঁলোকৰ সৱলীকৰণৰ উদ্দেশ্যে বিহাৰ চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। এই যোজনাৰ জৰিয়তে ৰাজ্যখনৰ প্ৰতিটো পৰিয়ালৰ এগৰাকী মহিলা আৰ্থিকভাৱে সাহায্য দিয়া হৈছে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে মুখ্যমন্ত্ৰীৰ মহিলা ৰোজগাৰ যোজনাৰ হিতাধিকাৰীসকলৰ সৈতে ভাৰ্চুৱেল মাধ্যমেৰে বাৰ্তালাপো কৰে।

এই অনুষ্ঠানত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰী মহিলা ৰোজগাৰ যোজনা হৈছে মহিলাসকললৈ নৱৰাত্ৰিৰ উপহাৰ। বিহাৰ বৰ্তমান সৰ্বাধিক লাখপতি দিদি থকা ৰাজ্যলৈ পৰিৱৰ্তিত হৈছে। তেওঁ কয় যে ৩ কোটি মহিলা উদ্যমী সৃষ্টি কৰাটো চৰকাৰৰ এক লক্ষ্য। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয় যে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে এই একেটা লক্ষ্যত উপনীত হোৱাৰ বাবে কাম কৰি আহিছে। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে কয় যে যেতিয়া এগৰাকী মহিলা কৰ্মত নিয়োজিত হয় বা নিজাকৈ ব্যৱসায় আৰম্ভ কৰে তেতিয়া মহিলাগৰাকীৰ সপোনে পাখি মেলে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কেন্দ্ৰীয় চৰকাৰৰ মুদ্ৰা যোজনা, ড্ৰোণ দিদি অভিযান, ইঞ্চুৰেন্স সখী অভিযান আৰু বেংক দিদি অভিযানে দেশৰ মহিলাসকলৰ মাজত আত্মনিৰ্ভৰশীলতাৰ সুবিধা সৃষ্টি কৰাৰ লগতে নিয়োগ সৃষ্টিতো অৰিহণা যোগাইছে।

বিহাৰৰ নিয়োগ আঁচনিৰ লক্ষ্যক প্ৰশংসা কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এখন ঘৰত কমেও এগৰাকী মহিলা নিয়োজিত হোৱাটো নিশ্চিত কৰিলে সমাজলৈ সমৃদ্ধিৰ বাৰ্তা বিয়পি পৰিব।

০০০০০০

নৱৰাত্ৰীৰ আজি পঞ্চম দিনাও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে দেৱীয়ে তেওঁৰ ভক্তসকলক সুখ, সমৃদ্ধি আৰু সৌভাগ্যৰ বাবে আশীৰ্বাদ দিব আৰু সকলোৰে জীৱন সুন্দৰ হ'ব।

০০০০০০

ভাৰতীয় বায়ু সেনা বাহিনীয়ে ইয়াৰ অভিযানসমূহৰ সৈতে সুদীৰ্ঘ ছটা দশক ধৰি জড়িত মিগ–২১ বিমানখনক আজি সেৱাৰ পৰা নিবৃত্ত কৰে। এই উপলক্ষে চণ্ডীগড়ত আয়োজিত এটা অনুষ্ঠানত মিগ–২১ বিমানক বাহিনীটোৰ পৰা আনুষ্ঠানিকভাৱে বিদায় দিয়া হয়। আজিৰ এই অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰে। এয়াৰ চীফ মাৰ্শ্বেল এ পি সিঙে বাদল– থ্ৰি নামৰ স্কোৱাড্ৰনটো শেষবাৰৰ বাবে উৰুৱাই এই শ্ৰেণীৰ বিমানক সেৱাৰ পৰা বিদায় দিয়ে।

উল্লেখযোগ্য যে ভাৰত–চীন যুদ্ধৰ পৰৱৰ্তী সময়ত ১৯৬৩ চনত ভাৰতীয় বায়ু সেনা বাহিনীত অন্তৰ্ভুক্ত কৰা মিগ–২১ আছিল দেশৰ প্ৰথমখন ছুপাৰছনিক যুদ্ধ বিমান। ১৯৬৫ আৰু ১৯৭১ চনৰ ভাৰত–পাকিস্তান যুদ্ধৰ সময়ত এই শ্ৰেণীৰ বিমানে নিৰ্ণায়ক ভূমিকা পালন কৰিছিল। দুয়োখন যুদ্ধৰ সময়তে এই বিমানে পাকিস্তানী বিমান বাহিনীৰ বিস্তৰ ক্ষতি কৰিছিল।

০০০০০০

কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি সমগ্ৰ দেশৰ প্ৰায় ৯৮ হাজাৰ স্থানত বি এছ্ এন এলৰ ৪-জি ষ্টেক সংযোজনৰ বিষয়ে ঘোষণা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আনুষ্ঠানিকভাৱে এই ব্যৱস্থা মুকলি কৰিব। নতুন দিল্লীত আজি সংবাদ মাধ্যমক এই বিষয়ে জানিবলৈ দি মন্ত্ৰীগৰাকীয়ে কয় যে এই ৪-জি ষ্টেকসমূহক চিনবিহীন পদ্ধতিৰে ৫-জিলৈ উন্নীত কৰা হ'ব আৰু দেশৰ কোনো এটা অংশই এই প্ৰক্ৰিয়াৰ পৰা বাদ পৰি নৰয়। এইবিধ নেটৱৰ্ক সম্পূৰ্ণৰূপে ছফ্টৱেৰৰ দ্বাৰা চালিত, ক্লাউড ভিত্তিক আৰু ভৱিষ্যতৰ প্ৰযুক্তিৰ অনুকূল বুলি তেওঁ লগতে প্ৰকাশ কৰে।

০০০০০০

বিশ্ব পৰ্যটন দিৱস উপলক্ষে জম্মু পৰ্যটন বিভাগে কাইলৈ ৰাজ্যখনৰ মানছৰ, পাটনিটপ, বাছোহলী, ৰাজৌৰী আৰু কাট্ৰাত বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰিছে। আকাশবাণীৰ সংবাদদাতাই জনোৱা মতে এই উৎসৱে চিত্ৰকলা, শ্লোগান প্ৰতিযোগিতা, পৰিবেশ বান্ধৱ পদক্ষেপ, ঐতিহ্য আৰু মানছৰ হ্ৰদত নাও প্ৰতিযোগিতা আৰু স্থানীয় শিল্পীৰ অনুষ্ঠানৰ জৰিয়তে জম্মুৰ চহকী সাংস্কৃতিক আৰু প্ৰাকৃতিক ঐতিহ্য প্ৰতিফলিত কৰা হ'ব। লগতে চিলা উৰুওৱা উৎসৱ আৰু সাংস্কৃতিক অনুষ্ঠানৰ জৰিয়তে স্থানীয় প্ৰতিভা আৰু বহনক্ষম পৰ্যটনৰ প্ৰচাৰত গুৰুত্ব আৰোপ কৰা হৈছে। এই উৎসৱ উদযাপনৰ সৈতে জড়িত হ'বলৈ আহ্বান জনোৱাৰ লগতে জম্মুৰ চহকী সংস্কৃতি, অপৰূপ সৌন্দৰ্য আৰু দুঃসাহসিক পৰ্যটনক তুলি ধৰিবলৈ জম্মুৰ পৰ্যটন বিভাগে পৰ্যটক, শিক্ষাৰ্থী আৰু স্থানীয় জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

০০০০০০

অসমৰ বিটিচি পৰিষদীয় নিৰ্বাচনৰ ভোটগণনা আজি পুৱা ৮ বজাৰ পৰা আৰম্ভ হৈছে। ৪০টা পৰিষদীয় সমষ্টিৰ বাবে হোৱা ভোটগণনা পুৱাৰে পৰা কটকটীয়া নিৰাপত্তাৰ মাজেৰে চলি আছে। শেহতীয়া তথ্য মতে এই পৰ্যন্ত ২১খন আসনত বি পি এফে অগ্ৰগতি লাভ কৰিছে। ইউ পি পি এলে ৮খন, বিজেপিয়ে ৮খন আসনত অগ্ৰগতি লাভ কৰি আছে। প্ৰথমে পোষ্টেল বেলটৰ ভোটগণনা কৰা হৈছে। তামুলপুৰ জিলাৰ বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ গৃহ সমষ্টি ২৮নং গয়বাৰী পৰিষদীয় সমষ্টিৰ প্ৰথম ৰাউণ্ডৰ অন্তত ইউ পি পি এলে ৪ হাজাৰ ৫১২টা ভোট লাভ কৰাৰ বিপৰীতে বি পি এফে ৩ হাজাৰ ৬৩০টা ভোট লাভ কৰিছে।

বাক্সা জিলাৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰ প্ৰথম ৰাউণ্ডৰ ভোটগণনাৰ অন্তত ইউ পি পি এলে ৩ হাজাৰ ৫৫৫, বি পি এফে দুহেজাৰ ৪৪১ আৰু বি জে পিয়ে দুহেজাৰ ৬২৩টা ভোট লাভ কৰিছে।

এই ভোটগণনাৰ জৰিয়তে ৩১৬ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব। আবেলিৰ ভিতৰত আটাইকেইটা সমষ্টিৰ ফলাফল ঘোষণা হোৱাৰ সম্ভাৱনা আছে।

০০০০০০

ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজৰ মুক্ত বাণিজ্য চুক্তি শীঘ্ৰেই সম্পাদন কৰাৰ প্ৰতি ইটালীয়ে সমৰ্থন আগবঢ়াইছে। দেশখনৰ উপ-প্ৰধানমন্ত্ৰী এণ্টনিঅ' টাজানিয়ে এই কথা নিশ্চিত কৰে। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী এছ জয়শংকৰ আৰু বাণিজ্য দপ্তৰৰ মন্ত্ৰী পীয়ুষ গোৱেলৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰাৰ পাছত শ্ৰীটাজানিয়ে এই কথা উল্লেখ কৰি, ভাৰতৰ সৈতে ইটালীৰ কৌশলগত সম্পৰ্ক দীৰ্ঘদিন ধৰি অব্যাহত থকা বুলি প্ৰকাশ কৰে। তেওঁলোকৰ এই বৈঠকত মধ্য প্ৰাচ্য, ইউক্ৰেইন আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চল সম্পৰ্কীয় বিষয়কে ধৰি ভালেমান প্ৰসঙ্গক লৈ আলোচনা কৰা হয় বুলি বিদেশ মন্ত্ৰী ড০ জয়শংকৰে জানিবলৈ দিয়ে।

০০০০০০

এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলৰ পূৰ্বে ছুপাৰ ফ'ৰ পৰ্যায়ৰ আন এখন খেলত আজি ভাৰত শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

যোৱা নিশা ডুবাইত অনুষ্ঠিত ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত পাকিস্তানে বাংলাদেশক ১১ ৰানত হৰুৱাই ফাইনেলত নিজৰ স্থান নিশ্চিত কৰিছে। এই জয়ৰ সুবাদত অহা দেওবাৰে হ'বলগীয়া প্ৰতিযোগিতাৰ ফাইনেলত পাকিস্তান ভাৰতৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে, সপ্তদশবাৰৰ বাবে অনুষ্ঠিত এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ভাৰত আৰু পাকিস্তান ফাইনেলত মুখামুখি হ'ব।

কালি পাকিস্তানে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১৩৫ ৰান সংগ্ৰহ কৰে। দলৰ হৈ মহম্মদ হেৰিছে ৩১ আৰু মহম্মদ নাৱাজে ২৫ ৰান কৰে। প্ৰত্যুত্তৰত বাংলাদেশে জয়ৰ চেষ্টা চলাই যদিও পাকিস্তানৰ সুন্দৰ বলিঙৰ সন্মুখত বাংলাদেশৰ বেটিং লাইন বিধবস্ত হৈ পৰে। দলটোৱে ৯ উইকেটৰ বিনিময়ত ১২৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। পাকিস্তানৰ ছাহিন আফ্ৰিদিক বেটিং আৰু বলিঙত কৰা সুন্দৰ প্ৰদৰ্শনৰ বাবে প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০

সমাপ্ত